DAILY ASSAM

## ১৫। যুৰীয়া শব্দ

**১৫ : ১** ব্যাপকতা, প্ৰগাঢ়তা, সম্পূৰ্ণতা, অপূৰ্ণতা, আকাঙক্ষা, পৌনঃ পুনিকতা, পাৰস্পৰিকতা আদি বিভিন্ন ভাব বুজাবলৈ যোৰা যোৰাকৈ যিবোৰ শব্দ ব্যৱহাৰ কৰা হয়, সেইবোৰক যুৰীয়া শব্দ কোৱা হয়। যুৰীয়া শব্দৰ যোৰ ভাঙি একোটি মাথোন শব্দ উচ্চাৰণ কৰিলে, কেতিয়াবা অৰ্থই প্ৰকাশ নাপায় আৰু কেতিয়াবা কিবা অৰ্থ প্ৰকাশ পালেও শব্দযোৰৰ প্ৰকৃত অৰ্থ, উপযুক্ত জোৰ বা ব্যঞ্জনা হেৰাই যায়। সেই বাবে যুৰীয়া শব্দবোৰ সকলো সময়তে যোৰা যোৰাকৈ কথিত বা লিখিত ৰূপত ব্যৱহাৰ কৰা হয়। এইদৰে ব্যৱহৃত যুৰীয়া শব্দই কথাৰে প্ৰকাশ কৰিব নোৱৰা একোখনি ভাব-চিত্ৰ দাঙি ধৰিব পাৰে। অসমীয়া ভাষাত এইবোৰৰ ব্যৱহাৰ বৈশিষ্ট্যপূৰ্ণ।

**১৫ : ২** বিভিন্ন পদৰ যুৰীয়া শব্দ সাধাৰণতে ছয় প্ৰকাৰে সিদ্ধ হয়। যথা, (ক) ধ্বন্যাত্মক যুৰীয়া শব্দ, (খ) অনুৰূপ যুৰীয়া, (গ) সমাসবদ্ধ যুৰীয়া, (ঘ) সমাৰ্থবাচক যুৰীয়া, (ঙ) দ্বিৰুক্ত শব্দ আৰু (চ) দ্বিধাবোধক যুৰীয়া।

**১৫ : ৩ (ক) ধ্বন্যাত্মক যুৰীয়া শব্দ :**

(১) জীৱ-জন্তু বা পদাৰ্থৰ বাহ্যিক আকৃতি, কাৰ্য বা পৰিৱেশ আদিৰে মনোৰম চিত্ৰ দাঙি ধৰিব পৰা বিভিন্ন ধ্বন্যাত্মক শব্দ যোৰা যোৰাকৈ ব্যৱহাৰ হয়। এনে শব্দৰ ধ্বনি-বৈচিত্ৰ্যই কোনো জীৱ বা পদাৰ্থৰ কাৰ্য, আকৃতি বা প্ৰকৃতি বাহ্যিক পৰিৱেশত একোখনি ভাব-চিত্ৰ মনৰ মাজত দাঙি ধৰিব পাৰে। এনে ধ্বন্যাত্মক শব্দৰ এটি শব্দ কিয় এটি স্বৰ ধ্বনিৰো উচ্চাৰণত বিভিন্ন হ'লে অৰ্থৰো বিভিন্নতা হ'ব পাৰে নাইবা কোনো অৰ্থকে প্ৰকাশ নকৰিব পাৰে। যেনে,

কচ্ কচ্, কুচ্ কুচ্, কচাকচ্— এই কেইটিত স্বৰ ধ্বনিৰ বিভিন্নতাই ভাব-চিত্ৰৰো বিভিন্নতা সূচায়। কটা বস্তুৰ প্ৰকৃতি, অৱস্থা ভেদে কটা কাৰ্যৰো স্বৰূপ বেলেগ হয়, কচ্ কচ্কৈ কাটিছে, কুচ্ কুচ্কৈ কাটিছে, বা কচাকচ্ কাটিছে, প্ৰত্যেকে বেলেগ বেলেগ ভাব-চিত্ৰ দাঙি ধৰে। এইদৰে বিভিন্ন কাৰ্য বা পদাৰ্থৰ ক্ৰিয়া ধ্বনিসূচক ধ্বন্যাত্মক শব্দবোৰ যুৰীয়া হিচাপে ব্যৱহাৰ হয়।

(বিস্তৃতভাৱে জানিবলৈ অনুকাৰ শব্দ চোৱা)

(২) পদাৰ্থৰ বাহ্যিক আকৃতি, কাৰ্য, পৰিৱেশ অনুযায়ী বিভিন্ন চিত্ৰাত্মক যুৰীয়া শব্দ ব্যৱহাৰ কৰা হয়। এনে ধ্বন্যাত্মক শব্দই যিদৰে ভাব-চিত্ৰ দাঙি ধৰিব পাৰে আন কোনো শব্দই এনে চিত্ৰ দাঙি ধৰিব নোৱাৰে। যেনে,

গোট্ গুটীয়া, ফট্ ফটীয়া, ফিৰ্ ফিৰিয়া, ঢক্ ঢকীয়া, গম্ গমীয়া, চল্ চলীয়া, লিক্ লিকীয়া, হেৰ্ ফেৰ্, হন্ হনা, ধৰ্ ফৰ্, টন্ টনা, কট্ কটা, ৰাইজাই, জয় জয়, ময় ময়।

(৩) জীৱ-জন্তু বা বস্তুৰ মাত বা কাৰ্যৰ অনুকৰণত গঢ়ি উঠা প্ৰকৃত অনুকাৰ শব্দবোৰে যুৰীয়া শব্দ। যেনে,

কা কা, ভেউ ভেউ. ভো, ভো, ফোঁচ্ ফোঁচ্, ফুচ্ ফাঁচ্, গিৰ্ গিৰ্, গুৰুম্ গুৰুম্ ইত্যাদি।

**১৫ : ৪ (খ) অনুৰূপ যুৰীয়া শব্দ**

বক্তব্য কথা বা পদাৰ্থক জোৰকৈ বুজাবলৈ নাইবা সমপৰ্যায়ৰ আন বস্তু বুজাবলৈ যিবোৰ অনুৰূপ শব্দ ব্যৱহাৰ কৰা হয় সেইবোৰো যুৰীয়াকৈ ব্যবহাৰ কৰা হয়। যেনে,

বহী-চহী, কলম-চলম, মাছ-তাছ, ভাত-চাত, চাহ-তাহ, চকু-তকু, ইনাই-বিনাই, অকাই-পকাই, পা-পইচা, চাকৰ-বাকৰ, জা-জলপান। (অনুৰূপ শব্দ চোৱা।)

**১৫ : ৫ (গ) সমাসবদ্ধ যুৰীয়া শব্দ :**

১। দ্বন্দ্ব সমাসত সমপৰ্যায়ৰ আন বস্তু বুজাবলৈ যুৰীয়া শব্দ ব্যৱহাৰ কৰা হয়। যেনে,

বোৱাৰী-বেটী, পালি-পহৰি, ঢাৰি-পাটী, কাঁহী-বাটি ইত্যাদি (দ্বন্দ্ব সমাস চোৱা)।

২। বহুব্ৰীহি সমাসৰ ব্যতিহাৰ বা পাৰস্পৰিক অৰ্থত যুৰীয়া শব্দ ব্যৱহাৰ কৰা হয়। যথা,

হতা-হতি, মৰা-মৰি, চুলিয়া-চুলি, মুখা-মুখি ইত্যাদি (ব্যতিহাৰ বহুব্ৰীহি চোৱা।)

**১৫ : ৬ (ঘ) সমাৰ্থবাচক যুৰীয়া শব্দ :**

১। কেতিয়াবা অৰ্থ বিস্তাৰ বুজাবলৈ অৰ্থাৎ উক্ত বস্তুটোৰ বাহিৰেও অন্য প্ৰাসংগিক বস্তুৰ ইংগিত দিবলৈ বা জোৰ বুজাবলৈ প্ৰায় একে অৰ্থৰ শব্দ দুটা যুৰীয়াভাৱে ব্যৱহাৰ কৰা হয়। যেনে,

চিঠি-পত্ৰ, বন্ধু-বান্ধৱ, মাথা-মুণ্ড, ধন-বিত্, গম্-গতি, সাজ-সজ্জা, চিন্তা-ভাৱনা, তেনেকৈ— খুজি-মাগি, ভাবি-চিন্তি।

২। কেতিয়াবা বিদেশী অপৰিচিত শব্দৰ লগত বিশেষ পৰিচিত প্ৰায় একে অৰ্থৰ শব্দ ব্যৱহাৰ কৰি যুৰীয়া শব্দ গঠন কৰা হয়। যেনে,

আইন-কানুন (কানুন মানে আইন Law), মেল-দৰবাৰ।

৩। অসমীয়া শব্দৰ লগত সমাৰ্থক বিদেশী প্ৰতিশব্দ ব্যৱহাৰ কৰি পৰিচিত শব্দ পাৰিভাষিক শব্দৰ যুৰীয়া শব্দ (Translated Compound) গঠন কৰা হয়। যেনে,

হাট-বজাৰ (ইংৰাজী Bazar মানেই হাট); তেনেকৈ—

চাকৰ-নাকৰ (নৌকৰ শব্দ জাত নাকৰ মানেই চাকৰ);

মান-ইজ্জত (ইজ্জত মানে মান-সম্মান)।

৪। কেতিয়াবা একে অৰ্থৰ দুটা শব্দৰ যুৰীয়া ব্যৱহাৰৰ অপ-প্ৰয়োগো দেখা যায়। যেনে,

তৰুণ-যুৱক, স্বত্বাধিকাৰ, বিবিধ প্ৰকাৰ, অশ্বমেধ যজ্ঞ।

**১৫ : ৭ (ঙ) দ্বিৰুক্ত শব্দ :**

বিভিন্ন অৰ্থত বা বিভিন্ন ভাব-চিত্ৰ দাঙি ধৰিবলৈ একোটি শব্দকে দুবাৰকৈ উচ্চাৰণ কৰি যুৰীয়া শব্দ গঠন কৰা হয়।

১। পুনৰাবৃত্তি বা পুনঃ পুনঃ ভাব বুজাবলৈ অৰ্থাৎ বাৰে বাৰে হোৱা বুজাবলৈ একেটা শব্দকে দুবাৰকৈ উচ্চাৰণ কৰি যুৰীয়া শব্দ গঠন কৰা হয়। যেনে,

কথাই কথাই, বাৰে বাৰে, ঘৰে ঘৰে, দেশে দেশে, বনে বনে, মাজে মাজে, বছৰে বছৰে, দলে দলে, দিনে দিনে ইত্যাদি।

২। অনিৰ্দিষ্ট অথচ প্ৰচুৰ ভাব বুজাবলৈ একেটা শব্দক দুবাৰকৈ উচ্চাৰণ কৰা হয়। যেনে,

পাচিয়ে পাচিয়ে আম, গাড়ীয়ে গাড়ীয়ে, কলহে কলহে মদ, থালে থালে, বিধে বিধে।

৩। বিস্তৃত বা বহুবচনৰ ভাব বুজাবলৈ দ্বিৰুক্তি কৰা হয়।

(ক) বিশেষণ শব্দৰ ৰঙা ৰঙা ফুল, বগা বগা টুপী, ডাঙৰ ডাঙৰ গছ, ওখ ওখ গছ, নতুন নতুন কথা।

(খ) সৰ্বনাম শব্দৰ– কোন কোন, যাৰ যাৰ, কাৰ কাৰ, তাৰ তাৰ, সেই সেই, এই এই। কোন কোন আহিছে? কাৰ কাৰ হাতত টকা আছে?

৪। নিশ্চয়তা বুজাবলৈ একেটা শব্দকে দ্বিৰুক্তি কৰা হয়। যেনে,

সত্যে সত্যে কৈছোঁ মই নিয়া নাই। ভালে ভালে কৈছোঁ এতিয়াই লিখ।

৫। পাৰস্পৰিক ভাব বুজাবলৈ বা পৰস্পৰ সংযোগ অৰ্থ বুজাবলৈ শব্দৰ দ্বিৰুক্তি কৰা হয়। যেনে,

হাতে হাতে ধৰি ধুৰি ফুৰিছে। মুখে মুখে কথাবোৰ বাগৰি আহিছে। তেনেকৈ, নিজে নিজে, মানুহে মানুহে, অফিচাৰে অফিচাৰে, শিক্ষকে শিক্ষকে আলোচনা কৰি এইখিনি কাম কৰিছে।

৬। ঈষৎ বা অলপ অৰ্থত কিছুমান শব্দ দ্বিৰুক্তি কৰা হয়। যেনে, হাঁহো হাঁহো মুখখনি, কান্দো কান্দো মুখ, জাৰ জাৰ লাগিছে, জ্বৰ জ্বৰ ভাব ইত্যাদি।

৭। একেৰাহে কাম চলি থকা বুজাবলৈ অসমাপিকা ক্ৰিয়া দ্বিৰুক্তি কৰা হয়। যেনে,

শুই শুই কিতাপ পঢ়িছে। বহি বহি খালে (অৰ্থাৎ কোনো কাম নকৰি)। হাঁহি হাঁহি মৰিল। নাচি নাচি থাকিল।

৮। অসম্পূৰ্ণ ভাব অথচ কাম চলি থকা বুজাবলৈ কৃদন্ত পদৰ দ্বিৰুক্তি কৰা হয়। যেনে,

চাওঁতে চাওঁতে, খাওঁতে খাওঁতে, হাঁহোঁতে হাঁহোঁতে, লওঁতে লওঁতে, পঢ়োঁতে পঢ়োঁতে।

৯। অসমাপ্ত বা অসম্পূৰ্ণ ভাব বুজাবলৈ সমাপিকা ক্ৰিয়াও দ্বিৰুক্তি কৰা হয়। যেনে,

ধৰোঁ ধৰোঁ কৰোঁতেই (অৰ্থাৎ নৌ ধৰোঁতেই), ঘৰ পাওঁ পাওঁ হওঁতেই (অৰ্থাৎ নৌপাওঁতেই)।

DAILY ASSAM


১০। অৱস্থাৰ নিৰ্দেশ কৰিবলৈ বিশেষ শব্দৰ দ্বিৰুক্তি কৰা হয়। যেনে,

গৰমে গৰমে খালোঁ। তপতে তপতে, ঠাণ্ডাই ঠাণ্ডাই (ইহঁতৰ জতুৱা অৰ্থও পোৱা যায়)।

১১। পোৱাৰ আগ্ৰহ বা ইচ্ছা প্ৰকাশৰ বাবে নাম শব্দ দুবাৰকৈ উচ্চাৰণ কৰা হয়। যেনে,

হা ভাত হা ভাত কৰি, ভাত ভাত কৰি, চাহ চাহ বুলি, টকা টকা কৰি, চাকৰি চাকৰি কৰি ঘূৰি ফুৰিলোঁ— চাকৰি হ'লে নিমিলিল, ইত্যাদি।

১৫ ঃ ৮ দ্বিধাবোধক যুৰীয়া শব্দ ঃ

১। মনৰ দ্বিধাভাৱ বা অস্থিৰতা বুজাবলৈ কেতিয়াবা কেতিয়াবা যুৰীয়া শব্দ ব্যৱহাৰ কৰা হয়। যেনে,

ভয়ে ভয়ে উপস্থিত হ'ল। লিখোঁ লিখোঁ বুলি কলম লৈছে। পঢ়োঁ পঢ়োঁ বুলি কিতাপখন মেলিলেও পঢ়া হ'লে নহ'ল।

২। অস্ত্যৰ্থক (Positive) ক্ৰিয়াৰ পিছত নঞৰ্থক (Negative) ক্ৰিয়া ব্যৱহাৰ কৰি অনুকূল ভাৱৰ ইংগিত দি মনৰ অস্থিৰতা বা দ্বিধাভাব প্ৰকাশ কৰা হয়। যেনে,

পঢ়োঁ-নপঢ়োঁ কৰি থাকিলে নহ'ব, সোনকালে পঢ়া। কৰোঁ-নকৰোঁ কৰিলে কি হ'ব? যাওঁ-নাযাওঁ লগালে নহ'ব, যাবই লাগিব। তেনেকৈ খাওঁ-নাখাওঁ, বহোঁ-নবহোঁ, লিখোঁ-নিলিখোঁ, আহোঁ-নাহোঁ ইত্যাদি।

## অনুশীলনী

১। অনুৰূপ শব্দ কাক বোলে? অনুকাৰ আৰু অনুৰূপ শব্দৰ মাজত থকা পাৰ্থক্য সম্বন্ধে আলোচনা কৰা।

২। ধ্বন্যাত্মক শব্দ বুলিলে কি বুজা?

৩। যুৰীয়া শব্দ বুলিলে কি বুজা? ই কি কি প্ৰকাৰে সাধিত হয় উদাহৰণ দি আলোচনা কৰা।

৪। শব্দৰ দ্বিৰুক্তি প্ৰয়োগ সম্বন্ধে কি জানা লিখা।